**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-04-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিচ্চানায়কে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক মিত্ৰা বিভূষণা বঁটাৰে সন্মানিত কৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আব্ৰজন আৰু বিদেশী বিধেয়ক-২০২৫ত সন্মতি দিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰাণৱন্ত গ্ৰাম কাৰ্যসূচী দ্বিতীয় আৰু চাৰিটা কেইবাশৰীয়া ৰে'লপথৰ প্ৰকল্পত অনুমোদন জনোৱাৰ কেবিনেটৰ সিদ্ধান্তক প্ৰশংসা কৰে।

৪। ব্ৰাজিলত চলি থকা ৱৰ্ল্ড বক্সিং কাপ-২০২৫ ভাৰতৰ অবিনাশ জামৱালে পুৰুষৰ ৬৫ কিলোগ্ৰাম শাখাত প্ৰৱেশ কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কলম্বোত শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিচ্চানায়কেৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। এই বৈঠকৰ জৰিয়তে চুবুৰীয়া দেশদুখনৰ মাজত কৌশলগত উন্নয়নমূলক মিত্ৰতা ত্বৰান্বিত কৰাৰ লক্ষ্য লোৱা হৈছে। দুয়োগৰাকী নেতাৰ উপস্থিতিত প্ৰতিৰক্ষা আৰু শক্তিকে ধৰি বিভিন্ন খণ্ডত কেইবাখনো চুক্তি স্বাক্ষৰিত হয়। শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰধানমন্ত্ৰী মোদীক মিত্ৰা বিভূষণা বঁটাৰে সন্মানিত কৰে। এখন সংবাদ মেলত প্ৰধানমন্ত্ৰীয়ে কয় যে এয়া কেৱল তেওঁৰ প্ৰতি আগবঢ়োৱা সন্মান নহয়। বৰঞ্চ ১৪০ কোটি ভাৰতীয়ৰ বাবে এই সন্মান আগবঢ়োৱা হৈছে বুলি শ্ৰীমোদীয়ে মত প্ৰকাশ কৰে। তেওঁ লগতে কয় যে দেশদুখনৰ জনসাধাৰণৰ মাজৰ গভীৰ মিত্ৰতা তথা ঐতিহাসিক সম্পৰ্ক ইয়াৰ জৰিয়তে প্ৰতিফলিত হোৱা বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি, শ্ৰীলংকাৰ চৰকাৰ তথা দেশখনৰ জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পূৰ্বে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ভাৰত আৰু শ্ৰীলংকাৰ মিত্ৰতা অতি নীবিড়। দুয়োখন চুবুৰীয়া দেশ গভীৰ ঐতিহাসিক, ধৰ্মীয় আৰু সাংস্কৃতিক এনাজৰীৰে পুৰণি কালৰে পৰাই বান্ধখাই আছে বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে উমৈহতীয়া প্ৰমূল্য, শ্ৰদ্ধা তথা স্বাৰ্থৰ ভিত্তিত এনে দীৰ্ঘদিনীয়া সম্পৰ্কসমূহ প্ৰতিষ্ঠিত হয়।

আজি পুৱাৰ ভাগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কলম্বোৰ ইণ্ডিপেণ্ডেণ্ট স্কুৱেৰত বিশেষ অনুষ্ঠানেৰে আদৰণি জনোৱা হয়। শ্ৰীলংকা ভ্ৰমণৰত কোনো বিদেশৰ নেতাক আদৰণি জনাবলৈ প্ৰথমবাৰৰ বাবে দেশখনত এনে অনুষ্ঠানৰ আয়োজন কৰাৰ পৰিপ্ৰেক্ষিতত বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে এয়া বিশেষ বুলি অভিহিত কৰিছে। ২০১৪ চনৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইবেলি চতুৰ্থবাৰলৈ দেশখন ভ্ৰমণ কৰিছে। দিচ্চা নায়কে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়া শ্ৰীমোদীৰ প্ৰথমটো শ্ৰীলংকা ভ্ৰমণ। শ্ৰীমোদী কালি নিশা কলম্বোত উপস্থিত হোৱাৰ পাছত শ্ৰীলংকাৰ কেইবাগৰাকীও শীৰ্ষ মন্ত্ৰীয়ে বিমান বন্দৰত তেওঁক আদৰণি জনায়।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আব্ৰজন আৰু বিদেশী বিধেয়ক-২০২৫ত সন্মতি দিছে। এই বিধেয়কখনৰ জৰিয়তে ভাৰতলৈ বিদেশী নাগৰিকৰ আব্ৰজন, প্ৰৱেশ তথা ইয়াত থকাৰ সম্পৰ্কিত বিষয়সমূহ নিয়ন্ত্ৰণ কৰা হ'ব। ভাৰতত প্ৰৱেশ কৰাৰ পাৰপত্ৰ আইন-১৯২০, বিদেশী পঞ্জীয়ন আইন-১৯৩৯, বিদেশী আইন-১৯৪৬ আৰু আব্ৰজন আইন-২০০০ৰ সলনি এই আইনখন অনা হৈছে। চলিত সপ্তাহৰ আৰম্ভণিতে সংসদত গৃহিত হোৱা এই বিধেয়কখনত ৰাষ্ট্ৰপতিয়ে অনুমোদন জনায়। এই আইনখনৰ জৰিয়তে আব্ৰজন সম্পৰ্কীয় নীতিসমূহ উন্নীত কৰিব বিচৰা হৈছে। এই আইনৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰক পাৰপত্ৰ, ভ্ৰমণৰ নথিপত্ৰ, ভিজা আৰু পঞ্জীয়ন সন্দৰ্ভত কিছুমান ক্ষমতা প্ৰদান কৰা হৈছে। এই আইনৰ অধীনত ভাৰতত প্ৰৱেশ কৰা, দেশখনত বসবাস কৰা অথবা দেশখনৰ পৰা অন্য দেশলৈ যোৱাৰ বাবে ভুৱা পাৰপত্ৰ ব্যৱহাৰ তথা যোগান ধৰা লোকক ৭ বছৰলৈকে কাৰাদণ্ড তথা ১০ লাখ টকালৈকে জৰিমনা বিহা হ'ব। তদুপৰি কোনো হোটেল, বিশ্ববিদ্যালয়, অন্যান্য শিক্ষানুষ্ঠান, চিকিৎসালয়সমূহৰ হাতত বিদেশী নাগৰিক সন্দৰ্ভত থকা তথ্য প্ৰদান কৰাটো বাধ্যতামূলক কৰা হৈছে। সকলো আন্তঃৰাষ্ট্ৰীয় জাহাজ তথা বিমান সেৱা সংস্থাই যাত্ৰী তথা বিমান কৰ্মীসকলৰ তথ্য আগতীয়াকৈ জনোৱাতো বাধ্যতামূলক কৰা হৈছে।

০০০০০০০

আজি ৰাষ্ট্ৰীয় সামুদ্ৰিক দিৱস। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ ঐশ্বৰ্যশালী সামুদ্ৰিক ইতিহাসক সোঁৱৰি সামাজিক মাধ্যমত এটা ভিডিঅ' শ্বেয়াৰ কৰে। ভিডিঅ'টোত ৰাষ্ট্ৰ নিৰ্মাণত সামুদ্ৰিক খণ্ডৰ ভূমিকা প্ৰতিফলিত হয়। চৰকাৰে দেশৰ প্ৰগতি সুনিশ্চিত কৰাৰ বাবে বন্দৰসমূহকে ধৰি সামুদ্ৰিক খণ্ডক শক্তিশালী কৰি তোলাৰ বাবে সকলো প্ৰচেষ্টা অব্যাহত ৰাখিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে নিশ্চিত কৰে।

০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নতুন দিল্লীত ৬২ সংখ্যক ৰাষ্ট্ৰীয় সামুদ্ৰিক দিৱস উপলক্ষে সামুদ্ৰিক সজাগতা ৰাকাথন মুকলি কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰী সোণোৱালে কয় যে দেশৰ জনসাধাৰণে ভাৰতক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা উচিত। তেওঁ লগতে কয়, যে ভাৰতক বিশ্বৰ ভিতৰতে উন্নত সামুদ্ৰিক শক্তি হিচাপে গঢ়ি তুলিবলৈ হ'লে যুৱচামে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। ভাৰতৰ সামুদ্ৰিক খণ্ড দেশৰ অৰ্থনীতিৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰাক্তন উপ প্ৰধানমন্ত্ৰী বাবু জগজীৱন ৰামক তেওঁৰ জয়ন্তী উপলক্ষে শ্ৰদ্ধা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে সমাজৰ বঞ্চিত তথা প্ৰান্তীয় লোকসকলৰ অধিকাৰৰ হকে জগজীৱন ৰামে কৰা জীৱনজোৰা সংগ্ৰামৰ জৰিয়তে জনসাধাৰণ চিৰকাললৈ উৎসাহিত হৈ থাকিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰাণৱন্ত গ্ৰাম কাৰ্যসূচী দ্বিতীয় আৰু চাৰিটা কেইবাশৰীয়া ৰে'লপথৰ প্ৰকল্পত অনুমোদন জনোৱাৰ কেবিনেটৰ সিদ্ধান্তক প্ৰশংসা কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এলানি বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে এই ৰে'ললাইনৰ প্ৰকল্পৰ জৰিয়তে দেশৰ যোগাযোগ আন্তঃগাথনিৰ উন্নত হোৱাৰ লগতে যোগান শৃংখল শক্তিশালী হোৱাৰ উপৰি ৰচদ-পাতি সৰবৰাহৰ ব্যয় হ্ৰাস হ'ব আৰু সুচলতা বৃদ্ধি হ'ব। শ্ৰীমোদীয়ে কয় যে সীমান্ত গাওঁসমূহৰ বাসিন্দাসকলৰ জীৱনশৈলী ত্বৰাণ্বিত হোৱাটো সুনিশ্চিত কৰাৰ বাবে প্ৰাণৱন্ত গ্ৰাম কাৰ্যসূচী দ্বিতীয়ত কেবিনেটে অনুমোদন জনোৱাটো এটা ইতিবাচক পদক্ষেপ। তেওঁ কয় যে এই অনুমোদনৰ জৰিয়তে প্ৰথম প্ৰাণৱন্ত গ্ৰাম কাৰ্যসূচীৰ তুলনাত এইবেলি অধিক সংখ্যক গাঁৱক সামৰি লোৱাৰ ব্যৱস্থা কৰা হৈছে। কেন্দ্ৰীয় কেবিনেটে কালি ১৮ হাজাৰ ৬৫৮ কোটি টকা ব্যয় সাপেক্ষে ৰে'ল মন্ত্ৰালয়ৰ চাৰিটা কেইবাশৰীয়া ৰে'ল প্ৰকল্পত অনুমোদন জনায়। এই প্ৰকল্পৰ অধীনত  উড়িশা, চত্তিশগড় আৰু  মহাৰাষ্ট্ৰৰ ১৫খন জিলাক সামৰি লোৱা হৈছে। ইয়াৰ জৰিয়তে ভাৰতীয় ৰে'লৰ নেটৱৰ্ক এহেজাৰ ২৪৭ কিলোমিটাৰ বৃদ্ধি হ'ব। প্ৰাণৱন্ত গ্ৰাম কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায়ৰ বাবে ৬ হজাৰ ৮৩৯ কোটি  টকা ধাৰ্য কৰা হৈছে। এই কাৰ্যসূচীৰ জৰিয়তে সমৃদ্ধ আৰু নিৰাপদ সীমান্ত সুনিশ্চিত কৰাৰ উদ্দেশ্যে উন্নত জীৱনশৈলী তথা জীৱনধাৰণৰ যথেষ্ট সুবিধা আগবঢ়োৱাৰ পৰিকল্পনা কৰা হৈছে। তদুপৰি এই কাৰ্যসূচীয়ে পৰ্যটন খণ্ডৰ প্ৰগতি ত্বৰাণ্বিত কৰাৰ লগতে এই গাওঁসমূহৰ স্থানীয় সংস্কৃতি তথা ঐতিহ্যৰ সংবৰ্ধনত সহায় কৰিব।

০০০০০০০

জম্মু-কাশ্মীৰৰ জম্মুৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত যোৱা নিশা এজন পাকিস্তানী অনুপ্ৰৱেশকাৰীক গুলিয়াই হত্যা কৰা হয়। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা অনুসৰি যোৱা নিশা জম্মুৰ আৰ এছ পুৰা খণ্ডত আন্তঃৰাষ্টীয় সীমান্ত পাৰ হৈ থকা অৱস্থাত এই লোকজনক  গুলিয়াই হত্যা কৰা হয় বুলি সীমান্ত সুৰক্ষা বাহিনীৰ জনসম্পৰ্কৰক্ষী বিষয়াই সদৰি কৰিছে।

০০০০০০

কানাডাৰ ৰকলেণ্ড অঞ্চলত চুৰিকাঘাতত এগৰাকী ভাৰতীয় নাগৰিক নিহত হোৱা বুলি অট্টাৱাত থকা ভাৰতীয় উচ্চায়ুক্তই নিশ্চিত কৰিছে। সামাজিক মাধ্যমত ঘটনাটো সন্দৰ্ভত দুখ প্ৰকাশ কৰি আয়োগে আৰক্ষীয়ে এজন অভিযুক্তক আটক কৰা বুলি সদৰি কৰিছে। নিহত লোকজনৰ পৰিয়াললৈ সম্ভাব্য সকলো সাহাৰ্য আগবঢ়োৱাৰ বাবে আয়োগে এটা স্থানীয় সামূহিক সংস্থাৰ সৈতে যোগাযোগ ৰখা বুলিও জানিব পৰা গৈছে।

০০০০০০০

ব্ৰাজিলত চলি থকা ৱৰ্ল্ড বক্সিঙ কাপ-২০২৫ ভাৰতৰ অবিনাশ জামৱালে পুৰুষৰ ৬৫ কিলোগ্ৰাম শাখাত প্ৰৱেশ কৰিছে। জামৱালে যোৱা নিশা ই টালীৰ জিয়ান লুইগী মালাংগাক ৫-০ ফলাফলত পৰাস্ত কৰি

ফাইনেলত প্ৰৱেশ কৰে। খেলুৱৈগৰাকী আজি অনুষ্ঠিত হ'বলগীয়া ফাইনেলত ব্ৰাজিলৰ ইউৰী ৰেইচৰ মুখামুখি হ'ব। আনহাতে পুৰুষৰ ৭০ কিলোগ্ৰাম শাখাৰ ফাইনেলত ভাৰতৰ হিতেশে ইংলেণ্ডৰ উডেল কামাৰাৰ মুখামুখি হ'ব। যোৱা বৃহস্পতিবাৰে অনুষ্ঠিত ছেমিফাইনেলত হিতেশে ফ্ৰান্সৰ মাকান ট্ৰাউৰেক ৫-০ ফললাফলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ইতিমধ্যে ভাৰতীয় বক্সাৰ মনিশ ৰাথুৰে পুৰুষৰ ৫৫ কিলোগ্ৰাম শাখাত ব্ৰঞ্জৰ পদক দখল কৰিছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ চাৰে ৩ বজাত আৰম্ভ হ'ব। আজি চণ্ডীগড়ত হ'বলগীয়া আন এখন খেলত ৰাজস্থান ৰয়েলছ পাঞ্জাব কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে মুম্বাই ইণ্ডিয়ানছক ১২ ৰাণত পৰাস্ত কৰে।

০০০০০০